জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৬৬/২০২১**

**গৰুখুটিত প্ৰকল্প পৰিদৰ্শন কৰি কেইবাটাও প্ৰকল্পৰ কাম-কাজৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# চৰকাৰী চাকৰিৰ পিছে পিছে হাবাথুৰি খোৱাতকৈ যুৱচামে কৃষি কাৰ্যত অধিক মনোনিৱেশ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০১ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলাৰ গৰুখুটি পৰিদৰ্শন কৰি কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভণি কৰে। এই পৰিদৰ্শনৰ সময়তে তেওঁ গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ বিভিন্ন কাম-কাজৰো বুজ লয়। উল্লেখ্য যে এই গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ অধ্যক্ষ হিচাপে বিধায়ক পদ্ম হাজৰিকাই কৰ্তব্য পালন কৰি আছে।

উল্লেখ্য যে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে ড° শৰ্মাই জুন মাহত গৰুখুটি অঞ্চল পৰিদৰ্শন কৰি নাৰেৰে বিশাল অঞ্চলটোত অবৈধ দখলকাৰীয়ে বেদখল কৰি থকা দিশটো প্ৰত্যক্ষ কৰিছিল। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনৰ পিছতেই ৰাজ্য চৰকাৰে কেবিনেট বৈঠকত এই এলেকাৰ পৰা অবৈধ দখলকাৰীসকলক উচ্ছেদ কৰি ব্যাপক ৰূপত কৃষি কাম-কাজ আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল। মুখ্যমন্ত্ৰীয়ে আজি দ্বিতীয়বাৰৰ বাবে গৰুখুটি পৰিদৰ্শন কৰি থলুৱা জনসাধাৰণৰ দ্বাৰা ইয়াত আৰম্ভ হোৱা কৃষি বিপ্লৱ তথা ৰূপান্তৰৰ বুজ লয়।

এই উপলক্ষে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই গৰুখুটিৰ এই দখলমুক্ত স্থানত কৃষিৰ জৰিয়তে অনা পৰিৱৰ্তনৰ দিশত লোৱা সক্ৰিয় উদ্যোগৰ বাবে প্ৰকল্পটোৰ অধ্যক্ষ তথা বিধায়ক পদ্ম হাজৰিকা, বিধায়ক মৃণাল শইকীয়া আৰু ড° পৰমানন্দ ৰাজবংশীৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণে এই বহুমুখী কৃষি প্ৰকল্পক দেশৰ ভিতৰতে জাকত জিলিকা প্ৰকল্প হিচাপে ৰূপান্তৰৰ বাবে সহায়-সহযোগিতা আগবঢ়াব লাগিব। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে আমি বাহিৰৰ পৰা কণী, মাছ, মুৰ্গী, গাহৰি আমদানি কৰিব লাগে। অসমে এখন উন্নত ৰাজ্য হিচাপে পৰিগণিত হ'ব লাগিলে খাদ্য উৎপাদনৰ দিশত স্বাৱলম্বী হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

গৰুখুটিৰ ৫ হাজাৰ বিঘাতকৈও অধিক ভূমিত কৃষি কাৰ্য চলোৱা হৈছে। ইয়াৰে ২৭৩১ বিঘা ভূমিত সৰিয়হৰ খেতি কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ যুৱ চামক চৰকাৰী চাকৰিৰ পিছে পিছে দৌৰি হাবাথুৰি খোৱাৰ পৰিৱৰ্তে কৃষি কাৰ্য ব্যাপক পৰিমাণে হাতত লোৱাৰ বাবেও আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে গৰুখুটিক আমি অসমৰ সন্মান আৰু গৌৰৱৰ এক অন্যতম নিদৰ্শন হিচাপে পৰিগণিত কৰিব লাগিব যাতে আমাৰ যুৱচামে অধিক কৰ্মত নিয়োজিত হৈ উন্নতি কৰিব পাৰে। অসমীয়াই মোগলক ১৭ বাৰ পৰাভূত কৰিছিল। এই হৃতগৌৰৱ আমি কৰ্ম তথা অধ্যাৱসায়েৰে উদ্ধাৰ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে

লগতে কয় যে দুগ্ধ আৰু কৃষিৰ ক্ষেত্ৰত অসমে গুজৰাট, পঞ্জাবৰ লেখীয়া ৰাজ্যসমূহৰ সৈতে প্ৰতিযোগিতাত নমাৰ পৰিকল্পনা কৰিব লাগিব। অসমৰ জনসাধাৰণে বহিৰাগতৰ বিপৰীতে সদায়ে প্ৰতিৰোধ গঢ়ি আহিছে বুলি উল্লেখ কৰি ৰাজ্যখনৰ কৃষি কাৰ্যৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰি এই গৌৰৱ বাহাল ৰখাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

যোৰহাটতত দিন দুপৰতে সংঘটিত হোৱা সংঘৰ্ষত এগৰাকী নিৰপৰাধী যুৱকে শোকাৰহভাৱে মৃত্যুক সাৱটি ল'বলগীয়া হোৱা ঘটনাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যুৱচামৰ কিছু সংখ্যকৰ মাজত এতিয়া নৈতিকতাৰ স্খলন হৈছে। সেয়েহে ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ যুৱ সমাজে সক্ষম মানৱ সম্পদৰ চানেকি দাঙি ধৰি উপাৰ্জনক্ষম কামত নিয়োজিত হ'ব লাগিব বুলিও তেওঁ কয়।

এই পৰিদৰ্শনৰ সময়তে মুখ্যমন্ত্ৰীয়ে ধলপুৰ ভাগৱত নামঘৰৰ আধাৰশিলা স্থাপন কৰাৰ লগতে গৰুখুটি বহুমুখী কৃষি প্ৰকল্পত জড়িত হোৱা এগ্ৰ' ছ'লজাৰ ভলণ্টিয়াৰ সকলৰ সৈতেও মত-বিনিময় কৰে। তেওঁ লগতে এই প্ৰকল্পত নিয়োজিত হোৱা ৬১৬ এগ্ৰ' ছলজাৰক গৰম কাপোৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে ভাগৱত নামঘৰ নিৰ্মাণৰ বাবে ১ কোটি টকাৰ অনুদানৰ কথাও ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে ধলপুৰৰ কৃষি পথাৰ পৰিদৰ্শন কৰাৰ উপৰি গাহৰি পাম পৰিদৰ্শন কৰি কৃষকসকলৰ সৈতে মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এমজিএনৰেগছ্ ২০২১-২২ ৰ অধীনত মৰানৈৰ খহনীয়া প্ৰতিৰোধ প্ৰকল্পৰো উদ্বোধন কৰে। উল্লেখ্য যে এই আঁচনিয়ে নৈখনৰ খহনীয়া প্ৰতিৰোধ কৰি এই অঞ্চলৰ জনসাধাৰণক উপকৃত কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে গৰুখুটিৰ নীলঝাৰত এটা বয়ন প্ৰশিক্ষণ কেন্দ্ৰৰ আধাৰশিলাও স্থাপন কৰে আৰু শিপিনীসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ লগতে এপাৰ্ট আঁচনিৰ অধীনত গৰুখুটি কলিতাপাৰা (ৰজাপুখুৰী) ৰ পৰা গোশালালৈ এটা পথৰ নিৰ্মাণৰ কাম-কাজৰো শুভাৰম্ভ কৰে। উল্লেখ্য যে ১ কোটি ৬৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া এই পথটোৱে কৃষকসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰী ওচৰৰ বজাৰলৈ বিপণনৰ বাবে লৈ যোৱাৰ দিশত বিশেষভাৱে উপকৃত কৰিব। তেওঁ লগতে গৰুখুটিত কৃষি উন্নয়নৰ বিষয়াৰ কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ উপৰি গৰুখুটি প্ৰকল্পলৈ মুখ্যমন্ত্ৰীয়ে কৃষি সা-সঁজুলি তথা পৰিবহনকাৰী বাহনো বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে গৰুখুটিৰ গোশালাও পৰিদৰ্শন কৰি ইয়াৰ কাম-কাজৰ বুজ লয়। উল্লেখ্য যে গৰুখুটিক দুগ্ধ বিপ্লৱৰ এক অন্যতম স্থান হিচাপে পৰিগণিত কৰাৰ বাবে ইতিমধ্যে গুজৰাটৰ পৰা উন্নত জাতৰ গাই গৰু অনা হৈছে। আজিৰ এই পৰিদৰ্শন কালতে মুখ্যমন্ত্ৰীয়ে গৰুখুটিত সৌৰশক্তি প্ৰকল্প, মীন আৰু বৃক্ষৰোপণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে।

পৰিদৰ্শনৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে ঐতিহাসিক ধলপুৰ শিৱমন্দিৰ দৰ্শন কৰি সেৱা আগবঢ়ায়। মন্দিৰ দৰ্শনৰ সময়ত উপস্থিত থকা সাংবাদিকসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে এই ঐতিহাসিক মন্দিৰক আধ্যাত্মিক পৰ্যটনৰ এক আকৰ্ষণীয় স্থান হিচাপে গঢ়ি তোলাৰ বাবে বহু সংখ্যক পদক্ষেপ লোৱা হৈছে। মন্দিৰ চৌহদৰ দেৱাল, অতিথিশালা, পথ ইত্যাদিৰ নিৰ্মাণৰ বাবে পদক্ষেপ লোৱা হৈছে বুলিও তেওঁ কয়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

গৰুখুটিৰ প্ৰকল্প পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ অধ্যক্ষ তথা বিধায়ক পদ্ম হাজৰিকা, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্তমল্ল বৰুৱা, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মৃণাল শইকীয়া উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ**
**০১-১২-২০২১**